समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

নৱম শ্ৰেণীৰ পাঠ্যপুথি

ভূগোল

পাঠ - ৪

অসমৰ ভূগোল

অংশ – ২

শ্ৰাৱণী দেৱী



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

জলবায়ুৰ বৈশিষ্ট্য



- ভৌগোলিকভাৱে অসম উপ-ক্রান্তীয় মৌচুমী জলবায়ুৰ অন্তর্গত।
- অসম ৰাজ্যৰ জলবায়ু—
  - বছৰৰ গ্রীষ্মকালত প্রচণ্ড বৰষুণ শীতকালত শুকান অৱস্থা।
  - প্রায় সকলো সময়তে অত্যাধিক আর্দ্রতা আৰু তুলনামূলকভাৱে কম উষ্ণতা।

- যদিও অসমৰ জলবায়ু মূলতঃ মৌচুমী বতাহৰ দ্বাৰা প্ৰভাৱিত। ইয়াৰ ভৌগোলিক তাৰতম্যই জলবায়ু যথেষ্ট বৈচিত্ৰময় কৰি তুলিছে।
- ভৌগোলিক অৱস্থান, ভূ-প্ৰকৃতি, আৰব সাগৰ, বঙ্গোপসাগৰ, ভাৰত মহাসাগৰ আৰু দক্ষিণ-পশ্চিম আৰ্দ্ৰ মৌচুমী বতাহ আদিৰ তাৰতম্যই বিভিন্ন ঠাইত ৰাজ্যখনৰ জলবায়ুৰ বৈশিষ্ট্য যথেষ্ট বেলেগ কৰি তুলিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ঋতুভেদে উত্তৰ-পশ্চিম ভাৰত ভূ-খণ্ডৰ পৰিৱৰ্তিত বায়ু চাপৰ প্ৰভাৱো অসমৰ জলবায়ুত পৰে।
- ইয়াৰ উপৰিও পাহাৰীয়া বতাহ, উপত্যকাৰ বতাহ আৰু নদ-নদীকে ধৰি অন্যান্য জলভূমিয়ে ৰাজ্যখনৰ স্থানীয় জলবায়ুৰ বৈশিষ্ট্যত যথেষ্ট প্ৰভাৱ পেলায়।

- সাধাৰণতে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা অঞ্চলৰ বায়ুৰ উষ্ণতা চুবুৰীয়া পাহাৰীয়া অঞ্চলতকৈ অলপ বেছি হৈয়েই থাকে।
- ইয়াৰ বাবেই গ্ৰীষ্মকালত সমভূমি অঞ্চলত স্থানীয়ভাৱে এক প্ৰকাৰৰ কম চাপৰ সৃষ্টি হয়।
- ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ উত্তৰ আৰু পূব দিশত বিস্তৃত হিমালয়ৰ পৰ্বতমালা আৰু ইয়াৰ শাখাবোৰে গ্ৰীষ্মকালত দক্ষিণ-পশ্চিমৰ পৰা বৈ অহা উষ্ণ আৰু আৰ্দ্ৰ মৌচুমী বতাহক বাধা প্ৰদান কৰে।

- ইয়াৰ উপৰিও এই পর্বতমালাসমূহে শীতকালত তিব্বতৰ মালভূমিৰ পৰা ভাৰত অভিমুখে অহা অত্যধিক ঠাণ্ডা বতাহৰ সমস্যাৰ পৰাও এই ৰাজ্যখনক ৰক্ষা কৰে।
- মেঘালয় মালভূমি আৰু অন্যান্য দক্ষিণৰ পাহাৰ অতিক্রম কৰাৰ পিছত দক্ষিণ-পশ্চিম মৌচুমী বতাহে কঢ়িয়াই অনা ডাৱৰে বিশেষকৈ ব্রহ্মপুত্র উপত্যকাৰ উত্তৰ-পূব অংশত গ্রীষ্মকালত প্রচণ্ড বৰষুণৰ সৃষ্টি কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- দক্ষিণ-পশ্চিম মৌচুমী বতাহে প্রায় তিনিও ফালৰ পৰা আগুৰি থকা পাহাৰবোৰত বাধাগ্রস্থ হৈ বৰাক উপত্যকাত প্রচণ্ড বৰষুণ দিয়ে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- অৱশ্যে মৌচুমী বতাহৰ শক্তিৰ তাৰতম্য আৰু ইয়াৰ লগত অহা জলীয় বাষ্পৰ পৰিমাণৰ ওপৰত নির্ভৰ কৰি সাধাৰণতে ৰাজ্যজুৰি বার্ষিক বৰষুণৰ পৰিমাণ ভিন্ন হয়।
- বিশেষকৈ কার্বি আংলঙৰ পূব দিশত আৰু ডিমা হাছাওৰ উত্তৰ আৰু পূৱ দিশত পাহাৰৰ অনুবাত ঢালত বৰষুণৰ পৰিমাণ যথেষ্ট হ্রাস পায়।

- একে কাৰণতে নগাঁও জিলাৰ দক্ষিণ অংশতো বৰষুণৰ পৰিমাণ অতি কম।
- হিমালয়ৰ পাদদেশ অঞ্চলত বৰষুণৰ পৰিমাণ সদায় বেছি হৈ থাকে।
- মেঘালয় মালভূমি অতিক্রম কৰাৰ পিছত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ এটা শাখা আৰু পশ্চিমৰ পৰা ব্রহ্মপুত্র উপত্যকাত প্রৱেশ কৰা আন এটা শাখাই নামনি ব্রহ্মপুত্র উপত্যকা অঞ্চলত যথেষ্ট পৰিমাণৰ বৰষুণ দিয়ে।

- অসমৰ গ্ৰীষ্মকালীন বৰষুণৰ মূল কাৰণ হৈছে আৰ্দ্ৰ দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ শৈলোৎক্ষেপন আৰু ঘূৰ্ণীবতাহৰ প্ৰক্ৰিয়া।
- শীতকালত ব্ৰহ্মপুত্ৰ উপত্যকাত উষ্ণতা হ্ৰাস হৈ ঠাণ্ডা বৃদ্ধি হোৱা বাবে উচ্চ চাপৰ সৃষ্টি হয়।
- তুলনামূলকভাৱে বংগ উপসাগৰত সেই সময়ত নিম্নচাপ বিৰাজ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- গ্ৰীষ্ম আৰু শীতকালৰ মাজত হোৱা এনে চাপৰ পাৰ্থক্যৰ বাবে শীতকালত বতাহৰ দিশটো গ্ৰীষ্মকালীন দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ ঠিক বিপৰীত হৈ পৰে।
- সেয়েহে শীতকালত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত যি বায়ু প্ৰৱাহৰ সৃষ্টি হৈ বংগোপসাগৰৰ ফালে প্ৰৱাহিত হয় তাকে উত্তৰ-পূৱ মৌচুমী বতাহ বা প্ৰত্যাৱৰ্তিত মৌচুমী বতাহ বুলি জনা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈসমূহৰ পৰা কেতিয়াবা শীতকালত কিছু আৰ্দ্ৰতা শোষণ কৰাৰ পিছত শুকান উত্তৰ-পূব মৌচুমী বতাহে অসমৰ দক্ষিণ-পশ্চিম অংশত কিছু পৰিমাণে বৰষুণ দিয়ে।
- অন্যথা শীতকালত বায়ুমণ্ডলত আৰ্দ্ৰতাৰ পৰিমাণ যথেষ্ট কম থাকে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- বছৰটোত শীত আৰু গ্ৰীষ্মৰ মাজত উষ্ণতাৰ পাৰ্থক্য উল্লেখযোগ্য।
- গড়ে শীতকালত উষ্ণতাৰ পৰিমাণ ৭ ডিগ্ৰী চেলছিয়াছ আৰু গ্ৰীষ্মকালত ই ৩৫ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত হয়।
- গড়ে ৰাজ্যখনত বছৰি প্ৰায় ২০০ চে.মি. বৰষুণ হয়। ৰাজ্যখনত বৰষুণত স্থানীক তাৰতম্য উল্লেখনীয়।

- ৰাজ্যখনৰ ভূ-প্ৰকৃতিৰ অৱস্থা, স্থান আৰু ওচৰৰ পাহাৰৰ উপস্থিতিৰ সামগ্ৰিক প্ৰভাৱৰ বাবে ৰাজ্যখনত বৰষুণৰ বিতৰণ যথেষ্ট অসমান।
- সাধাৰণতে পৰ্বত আৰু পাহাৰৰ নামনি অঞ্চলত বৰষুণৰ বেছিকে হয়।



বাৰ্ষিক বৰষুণৰ পৰিমাণ ২৫০ চে.মি.তকৈ অধিক হয় —

- উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, ধেমাজি, লখিমপুৰ আৰু শিৱসাগৰ;
- নামনি অসমৰ কোকৰাঝাৰ আৰু ধুবুৰী জিলা;
- দক্ষিণ অসমৰ কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বৰষুণৰ পৰিমাণ যথেষ্ট কম হয় —

- মধ্য অসমৰ নগাঁও আৰু কাৰ্বি আংলং জিলা।
- নগাঁও জিলাৰ লংকা-লামডিং অঞ্চলত বাৰ্ষিক বৰষুণ মাত্ৰ ১২৯ চে.মি.।



	ঠাইৰ নাম	বৰষুণ (চেঃ মিঃ)
১	গুৱাহাটী	১৬৬
২	ধুবুৰী	২৫৬
৩	বৰপেটা	২২৯
৪	গোৱালপাৰা	২৪২
৫	নলবাৰী	২৪২
৬	মংগলদৈ	১৮১
৭	ৰঙিয়া	১৯০
৮	তেজপুৰ	১৮২

	ঠাইৰ নাম	বৰষুণ (চেঃ মিঃ)
৯	নগাঁও	২০৩
১০	উত্তৰ লখিমপুৰ	৩৩৫
১১	ডিব্রুগড়	২৭৩
১২	শিৱসাগৰ	২৫০
১৩	হাফলং	২২৭
১৪	যোৰহাট	২২৭
১৫	লামডিং	১২৯
১৬	শিলচৰ	৩২৩

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বছৰত বিভিন্ন সময়ৰ জলবায়ু উপাদানৰ অৱস্থাৰ পার্থক্যৰ ভিত্তিত অসমত মূলতঃ ৪টা জলবায়ু ঋতু চিনাক্ত কৰা হৈছে —

- প্ৰাক্ মৌচুমী
- মৌচুমী
- প্ৰত্যাৱর্তিত মৌচুমী
- শুষ্ক শীতকাল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰাক্ মৌচুমী —

- অসমত মাৰ্চ মাহৰ আৰম্ভণিৰ পৰা মে' মাহৰ শেষলৈকে প্ৰাক বাৰিষা প্ৰচলিত।
- যিহেতু এই ঋতু শীতকালৰ পিছতেই আৰম্ভ হয়, সেয়েহে আৰম্ভণিৰ পৰাই বায়ুমণ্ডলৰ উষ্ণতা লাহে লাহে বৃদ্ধি পাবলৈ আৰম্ভ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

- প্রাক বাৰিষাৰ সময়ছোৱাত ৰাতিপুৱাটো সুখদায়ক, উষ্ণ দুপৰীয়া, পৰিশ্রান্ত আবেলি আৰু সন্ধিয়া বা ৰাতি হঠাতে বিজুলী ঢেৰেকণীৰে বৰষুণ হয়।
- এই ঋতুত এক প্রকাৰৰ অস্থিৰ বায়ুমণ্ডলীয় অৱস্থাৰ সৃষ্টি হয় আৰু কেতিয়াবা ধূলিৰ ধুমুহা আৰু বজ্রপাতৰ সৈতে বৰষুণ হয়।

- সময়ৰ লগে লগে অধিক পৰিমাণৰ বৰষুণ সঘনাই হ'বলৈ আৰম্ভ কৰে।
- বাৰিষাৰ পূৰ্বে এই বৰষুণৰ আৰ্ৱিৰ্ভাৱে ৰাজ্যত ধান, চাহ আৰু মৰাপাটৰ খেতিত সহায় কৰে।
- বাৰিষাৰ পূৰ্বৰ সময়ছোৱাত অসমত বসন্ত কাল বিৰাজ কৰে।
- ৰাজ্যত এপ্ৰিল মাহৰ মাজভাগত ব'হাগ বিহু (অসমীয়া নৱবৰ্ষৰ উৎসৱ) বা ৰঙালী বিহু (আনন্দৰ উৎসৱ) পালন কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মৌচুমী কাল —

- অসমত সাধাৰণতে জুন মাহৰ আৰম্ভণিৰ পৰা ছেপ্টেম্বৰৰ শেষলৈকে বাৰিষাৰ বতৰ প্ৰচলিত।
- এয়া অসমৰ বাৰিষা।
- এই সময়ছোৱাত ৰাজ্যৰ বিভিন্ন স্থানত প্ৰায় অবিৰতভাৱে দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত মধ্যমীয়াৰ পৰা প্ৰচণ্ড বৰষুণ হয়।

- জুন, জুলাই আৰু আগষ্ট মাহত বাৰিষাৰ সময়ৰ সৰ্বাধিক বৰষুণ হয়।
- অসমত বাৰ্ষিক মুঠ বৰষুণৰ ভিতৰত (গড়ে প্ৰায় ২০০ চে.মি.) প্ৰায় ৭০% বৰষুণ কেৱল এই ৩ মাহতহে হয়।
- এই বাৰিষাত অসমৰ প্ৰধান শস্য শালি ধান ৰোপণ কৰা হয়।

- তদুপৰি চাৰিওফালৰ পাহাৰীয়া অঞ্চলকে ধৰি ৰাজ্যৰ অধিকাংশ অঞ্চলত প্ৰচণ্ড বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু ইয়াৰ উপনৈসমূহৰ জলপৃষ্ঠ বৃদ্ধি হৈ প্ৰায়ে বানপানীৰ সৃষ্টি কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰত্যাৱৰ্তিত মৌচুমী —

- ছেপ্টেম্বৰৰ শেষৰ পৰা দক্ষিণ-পশ্চিম মৌচুমী বতাহ উভতিবলৈ আৰম্ভ কৰে।
- অৰ্থাৎ বাৰিষা শেষ হোৱাৰ পিছত উষ্ণতা আৰু বৰষুণৰ পৰিমাণ হ্ৰাস পায়।
- উষ্ণতা হ্ৰাস পোৱাৰ ফলত ৰাজ্যখনৰ বায়ুৰ চাপ বৃদ্ধি পাবলৈ ধৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- ইয়াৰ ফলত বতাহৰ দিশ সম্পূৰ্ণৰূপে ওলোটা হৈ উত্তৰ-পূবৰ পৰা দক্ষিণ-পশ্চিমলৈ বতাহ বলি থাকে।
- ইয়াক উত্তৰ-পূব মৌচুমী বা প্রত্যাৱর্তিত মৌচুমী বতাহ বোলা হয়।
- সাধাৰণতে অসমত অক্টোবৰ আৰু নৱেম্বৰ মাহত দুমাহ ধৰি প্রত্যাৱর্তিত মৌচুমী কাল বিৰাজ কৰে।
- এই সময়ছোৱাত উষ্ণতা হ্রাস পোৱাৰ বাবে ৰাতি আৰু ৰাতিপুৱা কুঁৱলীৰ সৃষ্টি হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

শুষ্ক শীতকাল —

- নৱেম্বৰৰ শেষৰ ফালে বা ডিচেম্বৰৰ আৰম্ভণিৰ পৰা ফেব্ৰুৱাৰী মাহৰ শেষলৈকে অসমত শীতকাল প্ৰচলিত হয়।

অসমৰ শীতকালৰ বৈশিষ্ট্যসমূহ —

- নিম্ন উষ্ণতা (১০ ডিগ্ৰী চেলছিয়াছৰ তলত)
- ৰাতিপুৱা ঘন কুঁৱলী
- বৰষুণৰ অভাৱত অতি শুকান অৱস্থা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- সেইবাবেই ডিচেম্বৰ আৰু জানুৱাৰী মাহবোৰ অতি শুকান আৰু জানুৱাৰী মাহটো বৰ ঠাণ্ডা।
- এই শীতকালত শালি ধান চপাই ভোগালী বা মাঘ বিহু পালন কৰা হয়।

মূল্যায়ন



১। অসমৰ গ্ৰীষ্মকালীন বৰষুণৰ মূল কাৰণ হৈছে ?

(ক) দক্ষিণ-পশ্চিম মৌচুমী বতাহ

(খ) উত্তৰ-পূৰ মৌচুমী বতাহ

মূল্যায়ন



২। মধ্য অসমৰ বৰষুণ কম হোৱা ঠাইৰ দুখনৰ নাম কি কি ?



ঊত্তৰ > লংলো আৰু লামডিং ।